# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 22-03-2026 **Time :** 0755 Hrs.

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ মনোনয়ন দাখিল আৰু প্ৰচাৰ অভিযানে গতি লাভ কৰিছে। কাইলৈ মনোনয়ন দাখিলৰ অন্তিম দিনা বহু প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিব। ইপিনে, জিলা প্ৰশাসনসমূহেও নিৰ্বাচনকেন্দ্ৰীক তৎপৰতা অব্যাহত ৰাখিছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে কালি ডিমাহাচাও জিলাত উপস্থিত হৈ জিলাখনৰ নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত শ্ৰী গোৱেলে প্ৰশাসনৰ বিষয়ববীয়াসকলৰ সৈতে নিৰ্বাচনী ব্যৱস্থাপনা আৰু আইন-শৃংখলা ৰক্ষাৰ পদক্ষেপসমূহৰ বুজ লয়। ডিমাহাচাও জিলাত স্থাপন কৰিবলগীয়া ২৬১ টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত এটা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ থাকিব। ১৫ টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলাই পৰিচালনা কৰিব। শ্ৰী গোৱেলে জিলাখনৰ ষ্ট্ৰংৰুম পৰিদৰ্শন কৰাৰ লগতে নিয়াৰিকৈ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে সকলো প্ৰস্তুতিৰ বুজ লয়।

মাজুলীত কালি জিলা নিৰ্বাচনী বিষয়া সৃষ্টি সিং আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক সোমালিন শোভাদৰ্শিনীয়ে আহতগুৰি অঞ্চলৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহ পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত তেওঁলোকে প্ৰতিটো কেন্দ্ৰতে ন্যূনতম সা-সুবিধা নিশ্চিত কৰাৰ লগতে যাতায়াতৰ সু-ব্যৱস্থা আৰু নিৰাপত্তা সম্পৰ্কীয় বিষয়ত গুৰুত্ব আৰোপ কৰে। ডিব্ৰুগড় জিলাৰ বিভিন্ন স্থানত কালি নিৰীক্ষণকাৰী দল আৰু ফ্লাইং স্কোৱাদে অভিযান চলায়। জিলাখনত একাংশ জ্যেষ্ঠ বিষয়াৰ দলে নাহৰকটিয়া বিধানসভা সমষ্টিৰ কেইবাটাও বোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰে। জিলা আয়ুক্ত বিক্ৰম কৈৰী আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক অভিজিত গৌৰৱ দিলীপৰ নেতৃত্বৰ এই দলটোৱে সমষ্টিটোৰ কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি প্ৰয়োজনীয় আন্তঃগাথনি আৰু সা-সুবিধাৰ বুজ লয়। যোৰহাট জিলাৰ আয়ুক্ত জয় শিৱানীয়ে আজি নিৰ্বাচনৰ ষ্টং ৰুম হিচাপে ব্যৱহাৰ হ'বলগীয়া যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালক বিদ্যালয় আৰু বালিকা বিদ্যালয় পৰিদৰ্শন কৰে। লখিমপুৰ জিলাৰ ঢকুৱাখানাৰ জিলা নিৰ্বাচনী বিষয়া আৰু সম-জিলা আয়ুক্তই কালি ঢকুৱাখানা সমষ্টিৰ কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়।

ইপিনে, বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে প্ৰচাৰ আৰম্ভ কৰিছে। বিজেপিয়ে পৰহিলৈ প্ৰচাৰ আৰম্ভ কৰিব বুলি দলৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

(বাইট ঃ ড০ শৰ্মা)

কংগ্ৰেছ দলৰ নেতা গৌৰৱ গগৈয়ে কালি মাজুলীত প্ৰচাৰ চলায়। মাজুলীত বিজেপি প্ৰাৰ্থী ভূবন গামেও কালি উজনি মাজুলীৰ কেইবাটাও অঞ্চলত প্ৰচাৰ চলায়। চিৰাং জিলাৰ চিদনীত কালি দুই শতাধিক লোকে বি পি এফ দলত যোগ দিয়ে। জিলাখনৰ গৰুভাষাত অনুষ্ঠিত এখন যোগদান সভাত এই লোকসকলে

দলটোত যোগ দিয়ে। বাক্সা জিলাৰ মুছলপুৰত কালি ইউ পি পি এল আৰু জি এছ্ পিৰ ৭২ গৰাকী সদস্যই বি পি এফত যোগ দিয়ে।

০০০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে সমাগত বিধানসভা নিৰ্বাচনৰ বাবে অসমত ইভিএম আৰু ভিভিপেটসমূহৰ প্ৰথম পৰ্যায়ৰ ৰেণ্ড'মাইজেচন প্ৰক্ৰিয়া সম্পন্ন কৰিছে। নিৰ্বাচন আয়োগে প্ৰেছ বিজ্ঞপ্তিযোগে জনোৱা অনুসৰি দ্বি-স্তৰীয় ৰেণ্ড'মাইজেচন প্ৰক্ৰিয়াৰ জৰিয়তে ইভিএমসমূহ নিজ নিজ ভোটকেন্দ্ৰসমূহত বিতৰণ কৰা হয়। প্ৰথম পৰ্যায়ত জিলা পৰ্যায়ৰ গুদামঘৰৰ পৰা বিধানসভা সমষ্টিসমূহলৈ ইভিএমসমূহ পূৰ্ব নিৰ্ধাৰণ নোহোৱাকৈ আৱণ্টন কৰা হয়। দ্বিতীয় পৰ্যায়তো বিধানসভা সমষ্টি পৰ্যায়ৰ পৰা ভোটকেন্দ্ৰসমূহলৈ বিতৰণ কৰা হয়। ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশানুসৰি জিলা নিৰ্বাচনী বিষয়াসকলে প্ৰথম স্তৰৰ পৰীক্ষণত উত্তীৰ্ণ হোৱা ইভিএম আৰু ভিভিপেটসমূহৰ প্ৰথম পৰ্যায়ৰ পূৰ্ব নিৰ্ধাৰণ নোহোৱাকৈ এই আৱণ্টন সম্পন্ন কৰা হৈছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকলৰ উপস্থিতিত জিলা নিৰ্বাচনী বিষয়াসকলে ইভিএম ব্যৱস্থাপনা প্ৰণালীৰ জৰিয়তে এই প্ৰথম পৰ্যায়ত ইভিএমসমূহৰ আৱণ্টন পূৰ্ব নিৰ্ধাৰণ নোহোৱাকৈ সম্পন্ন কৰে। ৰেণ্ড'মাইজেচন কৰা ইভিএম আৰু ভিভিপেটসমূহৰ সমষ্টিভিত্তিক তালিকা নিজ নিজ জিলা সদৰত সকলো ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিক প্ৰদান কৰা হৈছে। এই ইভিএম আৰু ভিভিপেটসমূহ স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত সংশ্লিষ্ট বিধানসভাৰ ষ্ট্ৰংৰুমত সংৰক্ষণ কৰা হ'ব।

০০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টীয়ে কালি দ্বিতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। প্ৰকাশিত তালিকা অনুসৰি দলগাঁও সমষ্টিৰ বাবে কৃষ্ণা সাহাক বিজেপিয়ে প্ৰাৰ্থীত্ব দিছে। আনহাতে চিচিবৰগাঁও সমষ্টিত জীৱন গগৈক প্ৰাৰ্থীত্ব দিয়া হৈছে। ৰাইজৰ দলে কালি ১২ টা সমষ্টিৰ বাবে প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। দলটোৱে গৌৰীপুৰ সমষ্টিত আব্দুল মিঞা, পূব গোৱালপাৰাত আব্দুৰ ৰচিদ মণ্ডল, মানস সমষ্টিত অঞ্জন তালুকদাৰ, দলগাঁৱত আজিজুৰ ৰহমান, ধিং সমষ্টিত মেহবুব মোক্তাব, কলিয়াবৰত প্ৰদীপ কুমাৰ বৰুৱা, তেজপুৰত অলক নাথ, চিচিবৰৰ গাঁৱত দুলাল চন্দ্ৰ বৰুৱা, মাৰ্ঘেৰিটাত ৰাহুল ছেত্ৰী, ডিগবৈত দুলাল মৰাণ, শিৱসাগৰত অখিল গগৈ আৰু মৰিয়নি সমষ্টিত ড০ জ্ঞানশ্ৰী বৰাক প্ৰাৰ্থীত্ব দিছে। বোকাখাট সমষ্টিৰ বাবে আজি প্ৰাৰ্থী ঘোষণা কৰা হ'ব বুলি দলে প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**